Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, MAY 15, 2025 ■ বৃহস্পতিবাৰ, ৩১ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৩৭ Guwahati, Assam ।। মূল্যঃ এটকা

## ছোঁশৰীৰে উভতি আহিল বিএছএফৰ জোৱান পূৰ্ণম কুমাৰ শ্ব'

**ই-সংবাদ, ১৪ মে':** ব'ৰ্ডাৰ ছিকিউৰিটি ফ'ৰ্চৰ কনিষ্টবল পূৰ্ণম কুমাৰ শ্ব'ক আজি ৩ নং পৃষ্ঠাত



ছোঁশৰীৰে উভতিল পূৰ্ণম কুমাৰ শ্ব'

আৰৱত ভৰি থৈয়েই ক'লে যুদ্ধবিৰতিৰ কথা

## ট্ৰাম্পৰ আকৌ দাবী, ভাৰত-পাকৰ তেঁৱেই পাপা!

**নতুন দিল্লী, ১৪ মে':** প্ৰধানমন্ত্ৰী মোদীয়ে স্বীকাৰ নকৰিলেও ভাৰত-পাকিস্তানৰ যুদ্ধবিৰতি সহমতক লৈ পুনৰ এবাৰ কৃতিত্ব ল'লে মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৪ নং পৃষ্ঠাত



## নিৰাপত্তাহীন মহানগৰ! মহিলাক হত্যাৰ চেষ্টা

**ই-সংবাদ, ১৪ মে':** পৰকীয়া প্ৰেমৰ বাবে বিগত চাৰি দিনত গুৱাহাটীত সংঘটিত দুটাকৈ হত্যাকাণ্ডৰ ২ পৃষ্ঠাত

## মুখ্য ন্যায়াধীশ বি আৰ গভাইৰ শপত গ্ৰহণ

**নতুন দিল্লী, ১৪ মে':** ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে ৩ পৃষ্ঠাত

## মণিপুৰত হত্যাৰ গোচৰত দুজন ধৃত

**ইম্ফল, ১৪ মে':** মণিপুৰ হিংসাৰ সময়তে এগৰাকী মহিলাক নৃশংস ৫ পৃষ্ঠাত

ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ প্ৰত্যুত্তৰ, বাস্তৱক মানি ল'বলৈ আহ্বান

# চীনৰ ৰণচালি! সলালে অৰুণাচলৰ ২৭ স্থানৰ নাম

● ভাৰত-পাকিস্তানৰ উত্তেজনাৰ মাজতে চীনৰ এনে পদক্ষেপক লৈ উদ্বিগ্ন বিশেষজ্ঞ, সতৰ্ক কেন্দ্ৰীয় চৰকাৰ




**নতুন দিল্লী, ১৪ মে':** ভাৰত-পাকিস্তানৰ মাজত অব্যাহত থকা সংঘাতৰ মাজতে পুনৰ অৰুণাচল প্ৰদেশৰ ২৭টাকৈ স্থানৰ বাবে চীনা নাম ঘোষণা কৰি ভাৰতৰ সাৰ্বভৌমত্বত আঘাত হনাৰ চেষ্টাত নামিছে ৰঙা চীন। ভাৰতৰ নিয়ন্ত্ৰিত অঞ্চলক দ্বিতীয় পৃষ্ঠাত


## জম্মু-কাশ্মীৰত নিৰ্মাণ কৰা হ'ব সুৰক্ষা বাংকাৰ

**শ্ৰীনগৰ, ১৪ মে':** দীঘলীয়া সংঘাতৰ অন্তত ভাৰত-পাকিস্তানৰ মাজত সম্পন্ন হোৱা যুদ্ধবিৰতি ৫ পৃষ্ঠাত

## 'বিধানসভাও ছিৰিয়াছলি খেলিব নালাগে'

**ই-সংবাদ, ১৪ মে':** পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতে নিজ দল ৰাইজৰ দলে মুখথেকেচা খোৱাত আবোল-তাবোল বকিবলৈ আৰম্ভ কৰিছে অখিল গগৈয়ে। অখিল গগৈয়ে খোদ শিৱসাগৰ সমষ্টিৰ নিজ ৱাৰ্ডত পৰাজিত হৈছে। ফলাফল ঘোষণাৰ পিছতে কংগ্ৰেছক ৪ পৃষ্ঠাত

পঞ্চায়তক লৈ অখিল গগৈয়ে কৰা মন্তব্য সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ কটাক্ষ



## উদয়াদিত্য ভৰালীলৈ পৰাগ দাস বঁটা

**ই-সংবাদ, ১৪ মে':** বিশিষ্ট চিন্তাবিদ, প্ৰগতিশীল লেখক, ইতিহাসবিদ, অধ্যাপক উদয়াদিত্য ২ পৃষ্ঠাত চাওক



যুদ্ধবিৰতিৰ পুছত কাশ্মীৰত এজন ষ্ট্ৰবেৰী খেতিয়ক

## বিজেপি মন্ত্ৰীৰ বিৰুদ্ধে গোচৰ ৰুজুৰ নিৰ্দেশ ক'ৰ্টৰ

**জব্বলপুৰ, ১৪ মে':** 'অপাৰেচন সেন্দুৰ'ৰ নায়িকা যোদ্ধা কৰ্নেল ছোফিয়া কুৰেশীক লৈ আপত্তিজনক মন্তব্য কৰি তীব্ৰ বিতৰ্কৰ সন্মুখীন হ'বলগীয়াত পৰিছে বিজেপি নেতা তথা মধ্যপ্ৰদেশ চৰকাৰৰ মন্ত্ৰী কোঁৱৰ বিজয় শ্বাহ। কৰ্নেল ছোফিয়াক লৈ কৰা ৩ নং পৃষ্ঠাত

অখিল গগৈক জনালে মুকলি প্ৰত্যাহ্বান

## উজনিক বাংলাদেশ হ'বলৈ নিদিওঃ শৃংখল চলিহা

**ই-সংবাদ, ১৪ মে':** ৰাইজৰ দলৰ নেতা অখিল গগৈক মুকলি প্ৰত্যাহ্বান জনাই উজনি অসমক কোনোকাৰণত বাংলাদেশ ৫ পৃষ্ঠাত



## হিন্দু-মুছলমানৰ ৰাজনীতিত অসম হেৰুৱাব বিজেপিয়েঃ ভূপেন

### খালেকক আকৌ লাগে উজনিৰ হিন্দু ভোট

**ই-সংবাদ, ১৪ মে':** অসমৰ পঞ্চায়ত নিৰ্বাচনৰ ইতিহাসত সদ্যঘোষিত ২০২৫ চনৰ পঞ্চায়ত নিৰ্বাচনত সকলোতকৈ বেয়া প্ৰদৰ্শন কৰা কংগ্ৰেছৰ ভিতৰচ'ৰাত তীব্ৰ ৫ পৃষ্ঠাত

## অপাৰেশ্যন সেন্দুৰৰ প্ৰশংসা যুদ্ধ বিশেষজ্ঞৰ

**নতুন দিল্লী, ১৪ মে':** পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ 'অপাৰেচন সেন্দুৰ'ৰ সাফল্যই দৃষ্টি ৩ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰাপত্তাহীন মহানগৰ! মহিলাক হত্যাৰ

খবৰে চাঞ্চল্য অব্যাহত ৰখাৰ সময়তে আজি পুনৰ গুৱাহাটীত প্ৰেমৰ বাবে এজন বিবাহিত লোকে সংঘটিত কৰিছে ভয়ংকৰ ঘটনা। প্ৰেমিকাই প্ৰেম প্ৰত্যাখ্যান কৰাত দাৰে ঘপিয়াই হত্যাৰ চেষ্টা কৰে প্ৰেমিকে। ছিকিউৰিটি গাৰ্ড হিচাপে কৰ্মৰত দিগন্ত গগৈ নামৰ লোকজনৰ দাৰ ঘাপত লেবেজান হৈ পৰা মহিলাগৰাকীৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সংকটজনক অৱস্থাত চিকিৎসা চলি থকা বুলি জানিব পৰা যায়। প্ৰেমিকাক হত্যাৰ চেষ্টা কৰা এই ঘটনা সংঘটিত হৈছে মহানগৰীৰ ধীৰেনপাৰাৰ। জানিব পৰা মতে, যোৰহাটৰ চেনিজান গাঁৱৰ বিবাহিত দিগন্ত গগৈ নামৰ লোকজনে বিগত দুবছৰ ধৰি অৰ্কিড হিলভিউ এপাৰ্টমেণ্টত ছিকিউৰিটি গাৰ্ড হিচাপে কাম কৰিছিল। ছিকিউৰিটি হিচাপে কাম কৰি থকাৰ সময়তে বনকৰা মহিলা এগৰাকীৰ সৈতে চিনাকি হৈছিল দিগন্তৰ। প্ৰথমে চিনাকি, তাৰ পিছতে ঘনিষ্ঠ হৈছিল সম্পৰ্ক। প্ৰায় ৩ মাহ পূৰ্বে চিনাকি হোৱা মহিলাগৰাকীৰ সৈতে প্ৰেমৰ সম্পৰ্ক গঢ় উঠিছিল। কিন্তু অভিযোগ মতে, হঠাতে মহিলাগৰাকীয়ে দিগন্তৰ প্ৰেম প্ৰত্যাখ্যান কৰিবলৈ ধৰে। যাৰ বাবে দুয়োৰে মাজত সংঘাত চলি আছিল। তাৰ মাজতে আজি দিগন্তই মহিলাগৰাকীক দাৰে আক্ৰমণ কৰে। আক্ৰমণত দেহৰ পৰা অত্যধিক ৰক্তক্ষৰণ হোৱাত ততাতৈয়াকৈ একাংশ লোকে মহিলাগৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে। অভিযোগ মতে, ভিডিঅ' কল কৰিও কথা পাতিছিল দুয়োজনে। সেই ভিডিঅ' কলৰ স্ক্ৰীন ৰেকৰ্ড কৰি মহিলাগৰাকীয়ে ভাইৰেল কৰাৰ অভিযোগ উত্থাপন হৈছে। দিগন্ত গগৈৰ বিৰুদ্ধে এপাৰ্টমেণ্টৰ আৱাসীকো অভিযোগ দিছিল মহিলাগৰাকীয়ে।অভিযোগ দিয়াত খঙত অগ্নিশৰ্মা হৈ কটাহবাৰী বজাৰৰ পৰা ২৫০ টকাৰে এখন দা কিনি আনিছিল। এপাৰ্টমেণ্টতে দাখন লুকুৱাই ৰাখি আজি পুৱা প্ৰায় ৮.৩০ বজাত মহিলাগৰাকীক দাৰে ঘপিয়াই হত্যাৰ চেষ্টা চলায় দিগন্তই। ঘটনাৰ খব পোৱাক মাত্ৰকে ফটাশিল আৰক্ষী উপস্থিত হৈ দিগন্ত গগৈক গ্ৰেপ্তাৰ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উদয়াদিত্য ভৰালীলৈ পৰাগ দাস বঁটা

ভৰালীলৈ এইবাৰৰ 'পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা' আগবঢ়োৱা হৈছে। পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চই এক বিবৃতিত কয় যে কটন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভৰালীয়ে দীৰ্ঘদিন ধৰি অসমৰ কেইবাখনো আগশাৰীৰ বাতৰি কাকতত নিয়মীয়াকৈ লিখা-মেলা কৰি আহিছে। 'অসমীয়া প্ৰতিদিন'ৰ আৰম্ভণিতে 'পৃষ্ঠভূমিৰ চিনাকি' শিৰোনামেৰে বিভিন্ন দেশৰ বিষয়ে লিখি যি আলোড়নৰ সৃষ্টি কৰিছিল তাৰ পৰৱৰ্তী কালত প্ৰতিদিনতে 'প্ৰাসংগিক পাণ্ডুলিপি' শিতানেৰে জাতীয় জীৱনৰ বহু গুৰুত্বপূৰ্ণ বিষয় তথ্যসহ যুক্তিনিষ্ঠ বিশ্লেষণেৰে চিন্তাৰ নতুন বাট মোকলাইছিল। এগৰাকী সফল গল্পকাৰ হিচাপেও অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে অধ্যাপকগৰাকীয়ে। এগৰাকী ক্ৰীড়া সংগঠক, ক্ৰীড়া বিষয়ক ব্যতিক্ৰমী লেখক হিচাপেও সুকীয়া পৰিচয় দাঙি ধৰিছে ভৰালী ডাঙৰীয়াই। বিশেষকৈ ইতিহাস চৰ্চাৰ ক্ষেত্ৰত ভৰালীয়ে অসমত এক নতুন দিশৰ সন্ধান দিছে। পৰাগ কুমাৰ দাসৰ মৃত্যুৰ পিছত তেওঁৰ স্মৃতিত বিগত ২৫ বছৰ ধৰি আয়োজন কৰা তৰ্ক প্ৰতিযোগিতাৰ উদয়াদিত্য ভৰালী আছিল এগৰাকী অন্যতম গুৰি ধৰোঁতা। পৰাগ কুমাৰ দাস সম্পাদিত 'বুধবাৰ' আৰু আগান'তো প্ৰবন্ধ লিখি জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙনি আগবঢ়াইছিল ভৰালীয়ে। পৰাগ কুমাৰ দাস সাংবাদিকতা সন্মান ২০২৪ বৰ্ষত বিশিষ্ট বুদ্ধিজীৱী ড০ হীৰেন গোহাঁইলৈ আগবঢ়োৱা হৈছিল। এইবাৰ ড০ হীৰেন গোহাঁইৰ দ্বাৰা বিশিষ্ট চিন্তাবিদ, লেখক উদয়াদিত্য ভৰালীক তেওঁৰ বাসগৃহত ১৮ মে', দেওবাৰে পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰা হ'ব। স্বাস্থ্যজনিত কাৰণত ১৭ মে'ত পৰাগ কুমাৰ দাসৰ স্মৃতি দিৱসত প্ৰদান কৰিবলগীয়া বঁটাটো ১৮ মে', দেওবাৰে দিনৰ ১১.৩০ বজাত প্ৰদান কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিআৰপিএফ জোৱানক মুকলি

পাকিস্তানে মুকলি কৰি দিয়ে। ২৩ এপ্ৰিলত পঞ্জাবৰ ফিৰোজপুৰ জিলাৰ সীমান্ত পাৰ হৈ পাকিস্তানত প্ৰৱেশ কৰাত আটক কৰিছিল পাকিস্তানে। আজি আটাৰী-ৰাঘা সীমান্তৰ জৰিয়তে ভাৰতলৈ ঘূৰাই অনা হয় পূৰ্ণম কুমাৰ শ্ব'ক। পূৰ্ণম শ্ব' বিএছএফৰ ১৮২ নম্বৰ বেটেলিয়নৰ সদস্য আৰু পঞ্জাবৰ ভাৰত-পাকিস্তান সীমান্তত দায়িত্বত আছিল। পূৰ্ণম শ্ব'ক প্ৰায় তিনি সপ্তাহ ধৰি পাকিস্তানত আটক কৰি ৰখা হৈছিল। যি সময়ত ভাৰত-পাকিস্তানৰ মাজত তীব্ৰ উত্তেজনা চলি আছিল। তেওঁৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। উল্লেখযোগ্য যে শ্ব'ৰে সীমা পাৰ কৰিছিল পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ ঠিক এটা দিনৰ পিছতে। বিএছএফৰ এক বিজ্ঞপ্তিত কয় যে বুধবাৰে পুৱা ১০.৩০ বজাত পাকিস্তানৰ পৰা আটাৰী-ৰাঘা সীমা পথেদি পূৰ্ণম কুমাৰ শ্ব'ক ভাৰতলৈ ঘূৰাই অনা হয়। পাকিস্তান ৰেঞ্জাৰ্ছৰ সৈতে নিয়মীয়া ফ্লেগ বৈঠক আৰু অন্যান্য যোগাযোগ মাধ্যমেৰে বিএছএফে অব্যাহত ৰখা প্ৰচেষ্টাৰ ফলস্বৰূপে কনিষ্ঠবলজনক ঘূৰাই অনাত সম্ভৱ হৈছে। পূৰ্ণম কুমাৰ শ্ব'ৰ পত্নী ৰাজনী শ্ব'ৰে কয় যে শেষবাৰৰ বাবে তেওঁ স্বামীৰ সৈতে ২২ এপ্ৰিলৰ নিশা প্ৰায় ৮ বজাত কথা পাতিছিল। তাৰ পিছত আমাৰ কোনো কথা নহ'ল। পিছদিনা তেওঁ তেওঁৰ পতিৰ এজন সহকৰ্মীৰ পৰা ফোন পায়। মোক সুধিলে — 'শেষবাৰৰ বাবে পূৰ্ণম কুমাৰ শ্ব'ৰ সৈতে কেতিয়া কথা পাতিছা?' মই ক'লো — 'কাইলৈ ৰাতি'। তেতিয়াহে তেওঁ ক'লে, পূৰ্ণম কুমাৰ শ্ব' পুৱা ডিউটিলৈ গ'ল আৰু পাকিস্তানে তেওঁক অপহৰণ কৰিছে। মই বিশ্বাস কৰিব পৰা নাছিলো। কিন্তু তেওঁ ক'লে — এয়াই এতিয়ালৈকে পোৱা একমাত্ৰ তথ্য। তেওঁ নিখোজ হোৱাৰ পিছত প্ৰথমে হিমাচল প্ৰদেশৰ কাংড়া আৰু পিছত পঞ্জাবৰ ফিৰোজপুৰলৈ গৈ বিভিন্ন কৰ্তৃপক্ষৰ পৰা খবৰ আৰু সহায় বিচাৰিছিলো। সকলো দিশৰ পৰা আমি আশ্বাস পাইছিলো যে তেওঁ শীঘ্ৰে ঘূৰি আহিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত হত্যাৰ গোচৰত দুজন ধৃত

হত্যা আৰু ঘৰত লুটপাতৰ সৈতে জড়িত দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা এনআইএয়ে। মণিপুৰৰ জিৰিবাম জিলাৰ জয়ৰাউন গাঁৱত যোৱা বছৰ মহিলাগৰাকীক ধৰ্ষণ কৰি নৃশংসভাৱে হত্যা কৰিছিল নিষিদ্ধ উগ্ৰপন্থী সংগঠনৰ সদস্যই। মঙলবাৰে নিশা জাৰি কৰা এক বিবৃতিত এনআইএয়ে কয় যে গ্ৰেপ্তাৰ হোৱা লোক দুজনক বিষ্ণুপুৰ জিলাৰ নংথোম্বম মাইৰাবা আৰু থৌবাল জিলাৰ সাগোলছেম সনাটোম্বা ওৰফে সুৰচন্দ্ৰ সিং ওৰফে পিবা বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে যোৱা বছৰৰ ৭ নৱেম্বৰত জো চাং কিম (৩১) নামৰ মহিলাগৰাকীক নিৰ্মমভাৱে অত্যাচাৰ কৰি হত্যা কৰাৰ পিছত জ্বলাই দিয়া হৈছিল মৃতদেহ। পৰৱৰ্তী সময়ত আৰম্ভ হোৱা এই হত্যাকাণ্ডৰ তদন্ত চলাই এনআইএয়ে এই ঘটনাৰ সৈতে নিষিদ্ধ সংগঠন ইউনাইটেড নেচনেল লিবাৰেচন ফ্ৰন্টৰ সদস্য মইৰাবা আৰু কাংগলেই ইয়াৱল কান্না লুপৰ সদস্য সনাটোম্বা ওৰফে সুৰচন্দ্ৰ সিং জড়িত থকাৰ তথ্য লাভ কৰে। এনআইএয়ে দুয়োজন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ পিছত দুয়োকে ১৭ মে'লৈকে তদন্তকাৰী সংস্থাটোৰ জিম্মালৈ প্ৰেৰণ কৰিছে আদালতে। প্ৰণিধানযোগ্য যে ২০২৩ চনৰ মে' মাহৰ পৰা ইম্ফল উপত্যকাৰ মেইটেই আৰু চুবুৰীয়া পাহাৰীয়া কুকি-জো সম্প্ৰদায়ৰ মাজত হোৱা জাতিগত হিংসাৰ ফলত ২৬০ জনতকৈ অধিক লোক নিহত হোৱাৰ লগতে হাজাৰ হাজাৰ লোক গৃহহীন হৈ পৰিছে। অনুসূচিত জনজাতি (এছটি)ৰ মৰ্যাদাৰ দাবীৰে পাহাৰীয়া জিলাসমূহত মেইটেই সম্প্ৰদায়ে 'জনজাতি সংহতি মাৰ্চ'ৰ আয়োজন কৰাৰ পিছতে এই হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হয়। চলিত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী এন বীৰেন সিঙে পদত্যাগ কৰাৰ পিছতে মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছিল। লক্ষণীয় যে জিৰিবামত যোৱা বছৰৰ জুন মাহত এজন কৃষকৰ অংগচ্ছেদ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছতে হিংসাত্মক পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অপাৰেশ্যন সেন্দূৰৰ প্ৰশংসা যুদ্ধ

আকৰ্ষণ কৰিছে সমগ্ৰ বিশ্বৰ। বিশ্বৰ ভিতৰতে অন্যতম যুদ্ধ বিশেষজ্ঞ জন স্পেন্সৰেও শেহতীয়াকৈ উচ্চ প্ৰশংসা কৰে ভাৰতৰ এই সামৰিক অভিযানৰ। ৱেষ্ট পইণ্টৰ পণ্ডিত, 'আণ্ডাৰষ্টেণ্ডিং আৰ্বান ৱাৰফেয়াৰ'ৰ লেখক তথা আৰ্বান ৱাৰফেয়াৰ ইনষ্টিটিউটৰ কাৰ্যবাহী সঞ্চালক স্পেন্সৰে ছ'চিয়েল মিডিয়াত লিখিছে যে মাত্ৰ চাৰি দিনৰ ত্ৰুটিহীন সামৰিক অভিযানত ভাৰতে পাকিস্তানৰ সন্ত্ৰাসবাদী আন্তঃগাঁথনি ধ্বংস কৰি সামৰিক শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠা কৰিছে, প্ৰতিৰোধ ক্ষমতা পুনৰুদ্ধাৰ কৰিছে আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ নতুন নীতি উন্মোচন কৰিছে। তেওঁ কয় যে অপাৰেচন সেন্দুৰে নিজৰ সকলো কৌশলগত লক্ষ্যত উপনীত হৈছে। তেওঁ কয়, "এয়া প্ৰতীকী শক্তি নহয়, নিৰ্ণায়ক শক্তিৰ ব্যৱহাৰহে।' তেওঁৰ এই মন্তব্যই দক্ষিণ এছিয়াৰ বাহিৰেও সমগ্ৰ বিশ্বৰ কৌশলগত মহলত আলোড়নৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত লস্কৰ-ই-তৈবাৰ সংযুক্ত প্ৰতিষ্ঠান দ্য ৰেজিষ্টেন্স ফ্ৰণ্টৰ নৃশংস আক্ৰমণে হত্যা কৰিছিল ২৬ জনকৈ নিৰীহক। এই ঘটনাৰ পিছতে ভাৰতে পাকিস্তানৰ বিৰুদ্ধে আৰম্ভ কৰে সামৰিক অভিযানৰ কুচকাৱাজ। পৰৱৰ্তী সময়ত ৭ মে'ৰ পৰা আৰম্ভ হোৱা অপাৰেচন সেন্দূৰত ভাৰতে পাকিস্তানৰ ভূখণ্ডত আক্ৰমণ চলাই ৯ টা সন্ত্ৰাসবাদীৰ ঘাটি সম্পূৰ্ণৰূপে ধ্বংস কৰিবলৈ সক্ষম হয়। ভাৰতৰ এই সামৰিক অভিযানৰ পৰিপ্ৰেক্ষিতত পাকিস্তানেও প্ৰত্যাক্ৰমণ সংঘটিত কৰাত ভাৰতে পুনৰ পাকিস্তানৰ ছটা সামৰিক বিমান ঘাটি আৰু ড্ৰোন নিয়ন্ত্ৰণ কেন্দ্ৰ ধ্বংস কৰি পেলায়। ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে নিজৰ আকাশমাৰ্গ ৰক্ষা কৰা, থলুৱা অস্ত্ৰ ব্যৱস্থা নিয়োগ কৰা, ইলেক্ট্ৰনিক আৰু চাইবাৰ যুদ্ধ চলোৱাৰ ক্ষেত্ৰত অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰে। স্পেন্সৰে কয় যে অপাৰেচন সেন্দূৰ কোনো পূৰ্ণ পৰিসৰৰ যুদ্ধ নহয়, বৰঞ্চ নিৰ্দিষ্ট লক্ষ্যৰে সীমিত অভিযানহে। ইয়াৰ জৰিয়তে ভাৰতে তিনিটা মূল লক্ষ্যত উপনীত হৈছে। প্ৰথমতে পাকিস্তানৰ মাটিৰ পৰা সন্ত্ৰাসবাদী আক্ৰমণক যুদ্ধৰ কাৰ্য বুলি গণ্য কৰিবলৈ নতুন ৰেখা অংকন কৰা হৈছে। দ্বিতীয়তে, ভাৰতে সন্ত্ৰাসবাদী আৰু সামৰিক ঘাটিত মুক্তভাৱে আক্ৰমণ কৰি পাকিস্তানৰ প্ৰত্যাক্ৰমণ বিফল কৰি সামৰিক শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিছে। তৃতীয়তে, ভাৰতে সুনিয়ন্ত্ৰিত আক্ৰমণ চলায় আৰু পূৰ্ণাংগ যুদ্ধৰ পৰা হাত সাৰি সংঘাতৰ গতি আৰু পৰিসৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা প্ৰদৰ্শন কৰিছে। প্ৰণিধানযোগ্য যে পাকিস্তানৰ বিৰুদ্ধে এই অভিযান সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল, "সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে হ'ব নোৱাৰে। তেজ আৰু পানী একেলগে বৈ নাযায়।" তেওঁ আৰু কয়, "ভাৰতে পাৰমাণৱিক ব্লেকমেইল সহ্য নকৰে। সন্ত্ৰাসবাদীৰ ভিত্তিত নিখুঁত আৰু নিৰ্ণায়ক আক্ৰমণ হ'ব।" অভিযানৰ অন্তত ভাৰতে ৭০ খন দেশৰ প্ৰতিনিধিক সামৰিক ব্ৰিফিং প্ৰদান কৰিছে। কিন্তু লক্ষণীয়ভাৱে এই সংঘাতৰ সময়ত পাকিস্তানৰ পক্ষ লোৱা চীন আৰু তুৰস্কক ব্ৰিফিঙৰ পৰা বাদ দিয়ে ভাৰতে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্য ন্যায়াধীশ বি আৰ গভাইৰ

শপত ল'লে ন্যায়াধীশ বি আৰ গভায়ে। বুধবাৰে ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত তেওঁক শপত গ্ৰহণ কৰোৱায় ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। উল্লেখ্য যে দেশৰ মুখ্য ন্যায়াধীশৰ পদত অধিষ্ঠিত হোৱা প্ৰথমগৰাকী বৌদ্ধ সম্প্ৰদায়ৰ প্ৰতিনিধি হিচাপে ইতিহাস ৰচনা কৰিলে ন্যায়াধীশ বি আৰ গভায়ে। ইফালে, আজি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে ন্যায়াধীশ গভাইক শপত গ্ৰহণৰ বাবে অভিনন্দন জনায়। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ শুভেচ্ছা বাৰ্তাত দেশৰ ন্যায়পালিকাৰ প্ৰতি গভাইৰ দীৰ্ঘদিনীয়া নিষ্ঠা আৰু অৱদানৰ কথা উল্লেখ কৰে। উল্লেখ্য যে মঙলবাৰে মুখ্য ন্যায়াধীশ পদৰ পৰা আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ কৰে ন্যায়াধীশ সঞ্জীৱ খান্নাই। উচ্চতম ন্যায়ালয়ৰ 'আনুষ্ঠানিক বিচাৰপীঠ'ত দিয়া চূড়ান্ত ভাষণত খান্নাই ন্যায়াধীশ গভাইক প্ৰশংসা কৰি কয়, "তেওঁ সততা আৰু ন্যায়ৰ প্ৰতীক। তেওঁৰ নেতৃত্বত ন্যায়পালিকাৰ নিৰপেক্ষতা আৰু অধিক শক্তিশালী হ'ব। গভাই মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত অতি সচেতন।" ইয়াৰ পূৰ্বে ন্যায় মন্ত্ৰালয়ৰ আনুষ্ঠানিক প্ৰক্ৰিয়াৰ জৰিয়তে ন্যায়াধীশ খান্নাই গভাইৰ নাম তেওঁৰ উত্তৰাধিকাৰী হিচাপে প্ৰস্তাৱ কৰিছিল। প্ৰণিধানযোগ্য যে ২০০৩ চনত বোম্বে উচ্চ ন্যায়ালয়ত অতিৰিক্ত ন্যায়াধীশ হিচাপে নিযুক্তি লাভৰ পৰাই আৰম্ভ হৈছিল ন্যায়াধীশ গভাইৰ ন্যায়িক কেৰিয়াৰ। ২০০৫ চনত তেওঁ স্থায়ী ন্যায়াধীশৰ মৰ্যাদা লাভ কৰে। তাৰ পিছত ২০১৯ চনত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হয়। বিমুদ্ৰাকৰণ, নিৰ্বাচনী ব'ণ্ড, নাগৰিকত্ব আইনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ গোচৰৰ শুনানিৰ সৈতে তেওঁ প্ৰত্যক্ষভাৱে জড়িত আছিল। ন্যায়পালিকাৰ বহু বিতৰ্কিত মুহূৰ্তত তেওঁৰ ৰায়দান আজিও চৰ্চাৰ কেন্দ্ৰবিন্দুত আছে। ইতিমধ্যে দেশৰ দ্বিতীয় দলিত মুখ্য ন্যায়াধীশ হিচাপে গভাইৰ নামে সাংবিধানিক ইতিহাসত স্থান দখল কৰিছে। ইয়াৰ পূৰ্বে ন্যায়াধীশ বালকৃষ্ণন এই পদত অধিষ্ঠিত হৈছিল। লক্ষণীয়ভাৱে বৌদ্ধ সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰা প্ৰথমগৰাকী মুখ্য ন্যায়াধীশ হিচাপে পৰিগণিত হৈছে ন্যায়াধীশ গভাই। অহা ছমাহ অৰ্থাৎ নৱেম্বৰ পৰ্যন্ত তেওঁ দেশৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। এই সময়ছোৱাত দেশৰ কেইবাটাও গুৰুত্বপূৰ্ণ সাংবিধানিক প্ৰশ্ন তেওঁৰ হাতেৰে সমাধান হ'বলৈ গৈ আছে। গাভাইৰ এই শপত গ্ৰহণ কেৱল ন্যায় ব্যৱস্থাৰ প্ৰতি নহয়, সামাজিক ন্যায়ৰ প্ৰতিও এক ঐতিহাসিক দায়বদ্ধতা বুলি অভিহিত কৰিছে বিভিন্নজনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি মন্ত্ৰীৰ বিৰুদ্ধে গোচৰ ৰুজুৰ

বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে এইবাৰ বিজেপি নেতা বিজয় শ্বাহৰ বিৰুদ্ধে স্বপ্ৰণোদিত গোচৰ ৰুজু কৰাৰ নিৰ্দেশ দিছে মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ বিভাগীয় বিচাৰপীঠে। উল্লেখ্য যে অপাৰেচন সেন্দূৰৰ সফলতাৰ জয়গান গাবলৈ গৈ মধ্যপ্ৰদেশৰ বিজেপি মন্ত্ৰী কোঁৱৰ বিজয় শ্বাহে এক অনুষ্ঠানত মন্তব্য কৰিছিল, 'আমাৰ কন্যাৰ কপালৰ সেন্দূৰ মচি পেলোৱাসকলক সিহঁতৰে ভগ্নীক পঠিয়াই উচিত শিক্ষা দিলোঁ'।' ইয়াৰ পিছতে বিজেপি নেতাজনে এনে মন্তব্যৰে কৰ্নেল ছোফিয়া কুৰেশ্বীক 'সন্ত্ৰাসবাদীৰ ভগ্নী' সজোৱাৰ অভিযোগ তুলি সৰৱ হৈ পৰে। বিজয় শ্বাহৰ এই মন্তব্যৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাৰ পিছতে দেশজুৰি উঠে ক্ষোভৰ উদগীৰণ। কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই শ্বাহৰ এই মন্তব্যক তীব্ৰ গৰিহণা দি ইয়াক "অশ্লীল, লজ্জাজনক আৰু নাৰীবিদ্বেষী" বুলি অভিহিত কৰে। তেওঁ কয়, "বিজেপি-আৰএছএছৰ নাৰীবিদ্বেষী মানসিকতা ইয়াৰ পৰাই স্পষ্ট হৈ পৰিছে। পাহাৰগঞ্জৰ সন্ত্ৰাসবাদীয়ে দেশ ভাঙিব বিচাৰিছিল যদিও কুৰেশ্বীৰ নেতৃত্বত অপাৰেচন সেন্দূৰে তেওঁলোকক পৰাস্ত কৰে। ইয়াৰ পূৰ্বেও বিজেপিয়ে ছ'চিয়েল মিডিয়াত শ্বহীদ নৌসেনাৰ বিষয়াৰ পত্নীক হাৰাশাস্তি কৰাৰ লগতে বৈদেশিক সচিবৰ কন্যাক হাৰাশাস্তি কৰিছিল। এইবাৰ এয়া কুৰেশ্বীৰ অপমান।" বিজেপি নেতা কোঁৱৰ বিজয় শ্বাহক শীঘ্ৰে বৰ্খাস্ত কৰাৰো প্ৰধানমন্ত্ৰী মোদীৰ ওচৰত দাবী জনায় খাৰ্গেয়ে। ইফালে, মধ্যপ্ৰদেশ কংগ্ৰেছ নেতা জিতু পাটোৱাৰীয়ে শ্বাহৰ বিৰুদ্ধে আৰক্ষীক এজাহাৰ দাখিল কৰিছে। তেওঁ কয়, "মোদীয়ে সেনাৰ বীৰত্বৰ প্ৰশংসা কৰে, কিন্তু তেওঁৰ মন্ত্ৰীয়ে সেনা বিষয়াক অপমান কৰে। বিজেপি কিয় মৌন?" তেওঁ সকীয়াই দিয়ে, "যদি ২৪ ঘণ্টাৰ ভিতৰত শ্বাহক মন্ত্ৰিত্বৰ পৰা বৰ্খাস্ত কৰা নহয়, তেন্তে সমগ্ৰ দেশৰ সকলো থানাতে এফআইআৰ দাখিল কৰা হ'ব।" উল্লেখ্য যে পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ সামৰিক প্ৰত্যুত্তৰৰ মূল নায়িকা হিচাপে পৰিগণিত হৈছিল কৰ্নেল ছোফিয়া কুৰেশ্বী আৰু উইং কমাণ্ডাৰ ব্যোমিকা সিং। ভাৰতৰ 'অপাৰেচন সেন্দূৰ'ৰ সফলতাৰ পিছত বৈদেশিক সচিব বিক্ৰম মিশ্ৰীৰ সৈতে এই অভিযানৰ সবিশেষ সংবাদ মাধ্যমক অৱগত কৰিছিল এই দুই মহিলা সেনা বিষয়াই। পাকিস্তানীক এশিকনি দিয়া ভাৰতৰ এই দুই বীৰাংগনাক লৈ সমগ্ৰ দেশ গৰ্বিত থকাৰ সময়তে শাসকীয় বিজেপিৰ এজন নেতাই কৰ্নেল কুৰেশ্বীক লৈ কৰা আপত্তিজনক মন্তব্যই এতিয়া দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰাম্পৰ আকৌ দাবী, ভাৰত-পাকৰ

চৌদি আৰবৰ ৰিয়াধত অনুষ্ঠিত বিনিয়োগ সন্মিলনত পুনৰ ট্ৰাম্পৰ দাবী- তেওঁৰ নেতৃত্বই লাঘৰ কৰিছিল দুয়োখন পাৰমাণৱিক অস্ত্ৰধাৰী দেশৰ মাজৰ উত্তেজনা। ট্ৰাম্পে কয়, "মই দুয়োখন দেশক পতিয়ন নিয়ালোঁ আৰু তাৰ পিছত তেওঁলোকে ইজনে সিজনক আক্ৰমণ কৰা বন্ধ কৰি দিলে।" ট্ৰাম্পৰ এই মন্তব্যই কূটনৈতিক মহলত সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ভাৰতীয় ৰাজনৈতিক মহলতো ইয়াকে লৈ সূচনা হৈছে বিতৰ্কৰ। ট্ৰাম্পে দাবী কৰে যে বাণিজ্যিক চাপ তেওঁৰ মূল অস্ত্ৰ আছিল, যাৰ জৰিয়তে তেওঁ ভাৰত আৰু পাকিস্তান দুয়োখনকে সংঘাতৰ পৰা আঁতৰাই আনিবলৈ সক্ষম হৈছিল। তেওঁৰ ভাষাত, "দুয়োখন দেশৰ মাজত যি সংঘাতৰ সৃষ্টি হৈছিল, সেই সংঘাতে ক্ৰমান্বয়ে ভয়ংকৰ ৰূপ লৈছিল। লাখ লাখ মানুহে প্ৰাণ হেৰুৱাব লাগিলহেঁতেন। কিন্তু আমি হস্তক্ষেপ কৰি পৰিস্থিতি চম্ভালি ল'লো।" এই মন্তব্য কৰাৰ সময়তে ট্ৰাম্পে মঞ্চৰ পৰা আমেৰিকাৰ ছিনেটৰ মাৰ্কো ৰুবিঅ' আৰু জে ডি ভেন্সকো অভিনন্দন জনায়। মঞ্চত তেওঁ ধেমেলিয়া সুৰেৰে কয়, "'দুজন' মানুহক একেলগে ৰাতিৰ আহাৰ খাবলৈ পঠিয়ালে কেনেকুৱা হ'ব নহয়নে মাৰ্কো? এতিয়া তেওঁলোকৰ মাজত বহুত ভাল মিল আছে।" ট্ৰাম্পৰ মন্তব্যই দৰ্শকক হাঁহিৰ খোৰাক দিলেও ইয়াৰ মাজেৰে যেন তেওঁ জাহিৰ কৰিলে ভাৰত আৰু পাকিস্তান কিমান পানীৰ মাছ! লক্ষণীয়ভাৱে ভাৰত-পাকিস্তানৰ যুদ্ধ বিৰতিৰ ঠিক পিছতো একেই দাবী কৰিছিল ট্ৰাম্পে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক কৰা সম্বোধনৰ কিছু সময়ৰ পূৰ্বে বাণিজ্যিক হস্তক্ষেপৰ জৰিয়তে দুয়োখন দেশৰ সংঘাত বন্ধ কৰাৰ দাবী কৰিছিল মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে। কিন্তু তাৰ পিছতো প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভাষণত এবাৰলৈও ট্ৰাম্প কিম্বা আমেৰিকাৰ হস্তক্ষেপক লৈ টু শব্দ নকৰাত আমেৰিকাৰ এই দাবী আৰু ভাৰতৰ মৌনতাক লৈ সৃষ্টি হয় প্ৰতিক্ৰিয়াৰ। অৱশ্যে ভাৰত চৰকাৰে এই দাবী কৰিছে যে দুয়োখন দেশৰ যুদ্ধবিৰতি সম্পূৰ্ণ দ্বিপাক্ষিক আছিল আৰু দেশ দুখনৰ ডিজিএমঅ'ৰ মাজত আলোচনাৰ জৰিয়তে লোৱা হৈছিল সংঘাতৰ অৱসানৰ সিদ্ধান্ত। কিন্তু ট্ৰাম্পৰ বাৰাম্বাৰ দাবীক লৈ এতিয়া ৰাজনৈতিক মহলত নতুন বিতৰ্কৰ সূচনা হৈছে। ভাৰতীয় ৰাজনীতিৰ অন্যতম বিৰোধী দল কংগ্ৰেছে ট্ৰাম্পৰ এই বক্তব্যক তীব্ৰ গৰিহণা দিয়ে। কংগ্ৰেছৰ মুখপাত্ৰ পৱন খেড়াই এক্সত এটা ভিডিঅ' শ্বেয়াৰ কৰি লিখিছে, "আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে পুনৰ দাবী কৰিছে যে তেওঁ ভাৰত আৰু পাকিস্তানৰ মাজত বাণিজ্যৰ জৰিয়তে 'চুক্তি'ৰ মধ্যস্থতা কৰিছে। তেওঁ কেৱল দুয়োখন দেশক একেখন পৃষ্ঠাত ৰখাই নহয়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফৰ সৈতে তুলনাও কৰিছে।" খেড়াৰ স্পষ্ট প্ৰশ্ন- প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এনে তুলনা মানি ল'বনে? একেদৰে কংগ্ৰেছৰ সাংসদ কাৰ্তি চিদাম্বৰমেও ভিডিঅ'টো শ্বেয়াৰ কৰি লিখিছে, "এই অধ্যায়টো আমাৰ পাঠ্যক্ৰমত নাছিল।" কংগ্ৰেছৰ তথ্য বিশ্লেষণৰ মুৰব্বী প্ৰবীণ চক্ৰৱৰ্তীয়ে মন্তব্য কৰে, "পাকিস্তান আৰু ভাৰত সমানে শক্তিশালী দেশ! আৰু এই কথা কোনে কৈছে? ট্ৰাম্প, যি প্ৰধানমন্ত্ৰী মোদীৰ 'ঘনিষ্ঠ বন্ধু'!" মন কৰিবলগীয়া যে কূটনৈতিক মহলত এই ঘটনাৰ গুৰুত্ব অতিশয় বেছি। কাৰণ ভাৰত-পাকিস্তান বিষয়ত আমেৰিকাই বহুদিনৰ পৰাই 'মধ্যস্থতাকাৰী'ৰ ভূমিকা পালন কৰিব বিচাৰিছিল। অৱশ্যে ভাৰতে সদায় এনে মধ্যস্থতাৰ বিৰোধিতা কৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'বিধানসভাও ছিৰিয়াছলি খেলিব নালাগে'

দোষাৰোপ কৰাৰ লগতে উজনি অসমত ছিৰিয়াছলি নিৰ্বাচন নেখেলা বুলি উল্লেখ কৰি ৰাইজে যে তেওঁৰ দলক আস্থাত লোৱা নাই সেই কথা মানি ল'ব খোজা নাই। আমি উজনিত ছিৰিয়াছলি পঞ্চায়ত নিৰ্বাচন খেলা নাছিলো বুলি কৰা মন্তব্যক লৈ ৰগৰ কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। লগতে আকৌ এবাৰ যোৰহাটত নিৰ্বাচন খেলাৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জালুকবাৰী মোৰ নিজৰ এলেকা আৰু মই সেই এলেকাৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম। দলৰ যি সিদ্ধান্ত ল'ব, মই সেই অনুসাৰে আগবাঢ়িম। ডঃ হিমন্ত বিশ্ব শৰ্মাই অখিল গগৈৰ মন্তব্যক কটাক্ষ কৰি কয় যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনতো অখিল গগৈয়ে এনেধৰণে নিৰ্বাচন খেলক। মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোঁ। মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিম যাতে অখিল গগৈয়ে বিধানসভা নিৰ্বাচনো ছিৰিয়াছলি নলয়। সোনকালে নিৰ্ণয় লওক কোনটো নিৰ্বাচনক ছিৰিয়াছলি ল'ব, প্ৰাৰ্থিত্ব দিব বিচাৰে। সোণাপুৰৰ কচুতলী ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সংবাদ মাধ্যমৰ সৈতে মুখামুখি হৈ ভূপেন বৰাকো আক্ৰমণ কৰি কয়, ভূপেন বৰায়ো সঠিক কথা কৈছে। শাসকীয় দলে নিৰ্বাচনত জিকিবই। আমি ইতিমধ্যে লোকসভা, পৌৰসভা আৰু পঞ্চায়ত নিৰ্বাচনত জয়ী হৈছো। বিধানসভা নিৰ্বাচনতো একেধৰণৰ ফলাফল হ'ব। মুখ্যমন্ত্ৰীয়ে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰচণ্ড জয় হ'ব বুলি কয় যে মানুহে এতিয়া কংগ্ৰেছক ভোট দিয়াত ৰুচি দেখুওৱা নাই। কিন্তু এই ধাৰাৰ মাজতো আমি অলস হ'ব নোখোজো। আমি কঠোৰ পৰিশ্ৰম অব্যাহত ৰাখিম আৰু জনসাধাৰণৰ সেৱা কৰিছো। যোৰহাটত আমি বহু উন্নয়নমূলক কাম সম্পাদন কৰিম। লগতে মুখ্যমন্ত্ৰীয়ে কচুতলীৰ পৰা ভূ-মাফিয়াক ৰঙা চকু দেখুৱাই কয় যে ভূমি জালিয়তিত জড়িত দালালসকলক ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হ'ব। ভূমি দখল কৰা লোকসকলে যাব বিচাৰিছিল, কিন্তু দালালসকলে তেওঁলোকক আকৌ আনি ৰাখিছে। পৰৱৰ্তী ছমাহৰ ভিতৰত সোণাপুৰৰ কচুতলীত আৰক্ষী বাহিনীৰ বেটেলিয়নৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই পদক্ষেপে অঞ্চলটোৰ আইন-শৃংখলা আৰু শাসন ব্যৱস্থা অধিক দৃঢ় কৰিব।

# বিহু পাতিবলৈ ৪ লাখকৈ আদায় বিদ্যুৎ পৰিষদৰ তিনি কোম্পানীৰ

**ই-সংবাদ, ১৪ মে':** অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ৰঙালী বিহু পতাৰ নামত বিদ্যুৎ কোম্পানীৰ অধীনৰ তিনিটাকৈ কোম্পানীৰ পৰা চাৰিলাখকৈ টকা আদায় লোৱাৰ অভিযোগক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কংগ্ৰেছে তিনিটা কোম্পানীৰ পৰা চাৰিলাখকৈ টকা আদায় লোৱাত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। আজি অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই চাৰিলাখকৈ টকা আদায় দিবলৈ দিয়া পত্ৰ এখন ৰাজহুৱা কৰে। আজি সংবাদ মাধ্যমৰ মুখামুখি হৈ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই কয় যে যিটো সময়ত অসম ৰাজ্যিক পৰিষদে স্মাৰ্ট মিটাৰ বহুৱাই মানুহৰ পৰা অধিক হাৰত বিদ্যুৎ মাচুল সংগ্ৰহ কৰিছে। প্ৰতি ইউনিটত মাচুলৰ হাৰ বৃদ্ধি কৰি গ্ৰাহকক হাৰাশাস্তি কৰিছে। তাৰ পিছতো লোকচানৰ সন্মুখীন হৈ থকা বিদ্যুৎ পৰিষদৰ অধীনৰ তিনিটা কোম্পানীৰ পৰা ৪ লাখকৈ টকা দিয়াৰ কি যুক্তি আছে বুলি বৰাই প্ৰশ্ন কৰে। অসমৰ ৰাইজে গাঁঠিৰ ধন ভাঙি হেঁপাহৰ ৰঙালী বিহু উদযাপন কৰে। কিন্তু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে চৰকাৰী কোম্পানীৰ পৰা এনেকৈ ধন লৈ বিহু পতাৰ যুক্তি ক'ত বুলি বৰাই প্ৰশ্ন কৰে? লগতে বৰাই এই বিষয়টোক লৈ বিদ্যুৎ পৰিষদৰ পৰা এক স্পষ্টীকৰণ ৰাজহুৱা কৰিবলৈ দাবী জনাইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দেশত যুদ্ধকালীন পৰিস্থিতিৰ বাবে ১০ মে'ৰ পিছত বিহু অনুষ্ঠিত কৰিব নালাগে বুলি কৈছিল। কিন্তু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ১৩ আৰু ১৪ মে'ত বিহু আয়োজন কৰিছে। প্ৰশ্ন হৈছে যে যিটো সময়ত বিদ্যুৎ পৰিষদ লোকচানত আছে, গ্ৰাহকক বিদ্যুৎ সময় মতে যোগান ধৰিব পৰা নাই, মূল সময়ত আমাক বিদ্যুৎ লাগে ২৪০০ মেগাৱাট, বিদ্যুৎ ক্ৰয় কৰিব নোৱাৰাৰ বাবে ঠায়ে ঠায়ে লোডশ্বেডিং হয়, সেই বিদ্যুৎ পৰিষদে কেনেকৈ কোম্পানীৰ পৰা লাখ লাখ টকা সংগ্ৰহ কৰি বিহু পাতিছে বুলিও কংগ্ৰেছ নেতা বেদব্ৰত বৰাই প্ৰশ্ন কৰে। উল্লেখ্য যে, বৃহত্তৰ গুৱাহাটী বিদ্যুৎ পৰিষদ ৰঙালী বিহু সমিতিক নাৰেংগী এ.চি.বি. উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ আয়োজিত ৪৯তম ৰঙালী বিহুৰ বাবে প্ৰতি সমিতিক মাত্ৰ ৪ লাখ টকা আৰ্থিক সহায় হিচাপে মঞ্জুৰ কৰাৰ এক ৰাজহুৱা প্ৰকাশ হৈছে। বিহু সমিতিৰ নুনমাটি মঠঘৰীয়াস্থিত বেংক একাউণ্টত জমা দিবলৈ কোৱা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিন্দু-মুছলমানৰ ৰাজনীতিত অসম হেৰুৱাব

প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এটা সূত্ৰই দাবী কৰা মতে, পঞ্চায়ত নিৰ্বাচনৰ ফলাফলক লৈ বহু জ্যেষ্ঠ নেতাই প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিছে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, প্ৰাক্তন সাংসদ আব্দুল খালেকে ফলাফলক লৈ প্ৰশ্ন কৰিছে। হিন্দু এলেকাত ভোট নাপালে কেতিয়াও কংগ্ৰেছ শাসনলৈ নাহে বুলি উল্লেখ কৰিছে আব্দুল খালেকে। আব্দুল খালেকে কয় যে ফলাফলক লৈ আত্মসন্তুষ্টি লৈ লাভ নাই। বিৰোধীয়ে অকপটে স্বীকাৰ কৰিব লাগিব যে কংগ্ৰেছেই হওক বা ৰাইজৰ দলেই হওক যি ভাল কৰিছে মুছলমান অধ্যুষিত এলেকাত কৰিছে। অসমৰ সংখ্যাগুৰু হৈছে হিন্দু, যেতিয়ালৈকে হিন্দুৰ আস্থা আদায় কৰিব নোৱাৰিম তেতিয়ালৈকে ক্ষমতাত আহিব নোৱাৰিম। ইয়াত অখিলৰ কথা নাই, কংগ্ৰেছৰ কথা নাই। তেতিয়াহে বিজেপিক বগৰাব পাৰিম। দায়বদ্ধ নাথাকিলে কোনো যুদ্ধ জয় কৰিব নোৱাৰে। বিজেপিক যদি উৎখাত কৰিব লাগে তেতিয়া উজনি অসমত আমি ভোট বৃদ্ধি কৰিব লাগিব। বিজেপিক উৎখাত কৰিব লাগিলে সংখ্যাগুৰুৰ আস্থা অৰ্জন কৰিব লাগিব বুলিও কয় আব্দুল খালেকে। ইপিনে আজি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই বিজেপিক তীব্ৰ আক্ৰমণ কৰি ধৰ্মীয় মেৰুকৰণৰ ওপৰত নিৰ্ভৰ কৰিয়েই বিজেপিয়ে দেশজুৰি নিৰ্বাচনত বিপদত পৰিব বুলি কয়। ভূপেন বৰাই কয় যে বিজেপিয়ে যদি হিন্দু আৰু মুছলমানৰ নামত ৰাজনীতি কৰি থাকে তেন্তে বিজেপিয়ে অসম হেৰুৱাব। ভূপেন বৰাই কংগ্ৰেছশাসিত ৰাজ্যৰ উদাহৰণ দাঙি ধৰি কয় যে হিমাচল প্ৰদেশত ৯৬ শতাংশ হিন্দু জনসংখ্যা। তাত কংগ্ৰেছে বিজেপিক পৰাস্ত কৰিছে। কৰ্ণাটকত ৮৫ শতাংশ হিন্দু, তাতো আমি জয়ী হৈছে। তেলেংগানাত ৮৪ শতাংশ হিন্দু থকা সত্ত্বেও বিজেপিক আমি হৰুৱাইছো। এই তথ্যসমূহৰ উদ্ধৃতি দি বিজেপিৰ ধৰ্মভিত্তিক ৰাজনীতিৰ ওপৰত প্ৰশ্ন তোলে। কংগ্ৰেছে সন্তোষজনক ফলাফল লাভ নকৰাত বৰাই কয় যে এইটো সাধাৰণ কথা যে শাসন থকা দলে এনে নিৰ্বাচনত অগ্ৰাধিকাৰ পায়। যদি আমি বিগত ২০ বছৰৰ ধাৰাবাহিকতা লক্ষ্য কৰো তেন্তে দেখা যায় যে দিছপুৰত শাসন কৰা দলে সাধাৰণতে পঞ্চায়ত নিৰ্বাচনত ভাল ফল পায়। ২০১৩ চনত আমি চৰকাৰত থাকোঁতে বিজেপিয়ে কেৱল ১৫ খন জিলা পৰিষদহে জিকিছিল। এইবাৰ আমি প্ৰায় ৪০ খন জিলা পৰিষদ মাত্ৰ ৫০০ ভোটৰ ব্যৱধানত হেৰুৱাইছো। বহু ঠাইত ১০০ ভোটৰ ব্যৱধানতহে স্থানীয় সদস্যসকল হাৰিছে। সংগঠনত কিছু সীমাবদ্ধতা থকাৰ কথা উল্লেখ কৰি ভূপেন কুমাৰ বৰাই কয় যে যেতিয়া আপুনি চৰকাৰত থাকে, তেতিয়া এনে সীমাবদ্ধতা নাথাকে। টিকট দিয়াৰ অধিকাৰ আছিল, কিন্তু পূৰ্ণ সহায় আগবঢ়াব নোৱাৰিলো। মই ৰাজ্যিক সভাপতি হিচাপে জিলা আৰু মণ্ডল সভাপতিসকলক সহায় কৰিব নোৱাৰিলো। তেওঁ কয় যে বাস্তৱক মানি ল'ব লাগিব। বিজেপিয়ে বিভাজনকামী ৰাজনীতি কৰে, কিন্তু কংগ্ৰেছে কেৱল অসমৰ মানুহৰ কথা ভাবে। পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত অগ্ৰগতি লাভ কৰিছে বুলি দাবী কৰিছে। আগতে আমি ৪৫ শতাংশ সংখ্যালঘু জনসংখ্যা থকা এলেকাতহে জিকিছিলো, এইবাৰ ৯০-১০০ শতাংশ সংখ্যালঘু এলেকাতো আমি প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিলো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জম্মু-কাশ্মীৰত নিৰ্মাণ কৰা হ'ব সুৰক্ষা বাংকাৰ

চুক্তিৰ পিছতো সীমান্তত পাকিস্তানী সেনাৰ গোলাবৰ্ষণে জম্মু-কাশ্মীৰৰ সীমান্তৱৰ্তী অঞ্চলত সৃষ্টি কৰি ৰাখিছে আতংকময় পৰিৱেশৰ। পাকিস্তানী সেনাৰ আক্ৰমণত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া কুপৱাৰা, উৰি আৰু পুঞ্চ জিলাৰ ঘৰ-দুৱাৰ আৰু ধৰ্মীয় স্থানৰ ক্ষতি হোৱাৰ খবৰ পোৱা গৈছে। এই পৰিস্থিতিত স্থানীয় লোকসকলৰ প্ৰাণৰ প্ৰতিও নামি আহিছে সংশয়। অৱশ্যে জম্মু-কাশ্মীৰৰ সীমান্তত অতন্দ্ৰ প্ৰহৰীৰ ৰূপত থিয় হৈ থকা ভাৰতীয় সেনাৰ বাবেই এতিয়াও নিৰাপদ অনুভৱ কৰি আছে উপত্যকাবাসীয়ে। সীমান্তৰ এনে পৰিস্থিতি সন্দৰ্ভত মঙলবাৰে জম্মু-কাশ্মীৰৰ মুখ্য সচিব অটল দুল্লুৱে কয়, "আপোনালোকে দেখিছে যে সীমান্তৰ সিপাৰৰ পৰা হৈ থকা গোলাবৰ্ষণে মূলতঃ অসামৰিক অঞ্চলক লক্ষ্য কৰি লৈছে। বহু লোক আহত হৈছে, পশুধনৰ মৃত্যু হৈছে, ঘৰ-দুৱাৰ ধ্বংস হৈছে। স্থানীয় প্ৰশাসনে ক্ষিপ্ৰতাৰে পৰিস্থিতিৰ মূল্যায়ন কৰি সাহায্য প্ৰদান কৰিছে।" লগতে তেওঁ কয় যে ৰাজ্যৰ সীমান্তৱৰ্তী অঞ্চলত এই পৰ্যন্ত প্ৰায় ৯৫০০ বাংকাৰ নিৰ্মাণ কৰা হৈছে। কিন্তু এতিয়াও আৰু বাংকাৰৰ প্ৰয়োজন আছে আৰু চৰকাৰ সেই দিশত আগবাঢ়িছে। তেওঁৰ ভাষাত, "আমি চাহিদা অনুসৰি আৰু বাংকাৰ নিৰ্মাণ কৰিম। বাংকাৰৰ অভাৱ নহ'ব।" ইফালে ভাৰতীয় সেনাই ৰাজৌৰী জিলাৰ এখন গাঁৱৰ পৰা উদ্ধাৰ হোৱা অবিস্ফোৰিত গোলাক সফলতাৰে নিষ্ক্ৰিয় কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পৰা সাধাৰণ জনতাই কিছু সকাহ পোৱা বুলি প্ৰশাসনে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই কুপৱাৰা জিলাৰ গোলাবৰ্ষণত ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। তাৰ পৰাই তেওঁ কয়, "ভগৱানৰ কৃপাত এতিয়ালৈকে কোনো লোকৰ প্ৰাণহানি হোৱা নাই, কিন্তু বহু ঘৰ, দোকান আৰু এখন মাদ্ৰাছা ক্ষতিগ্ৰস্ত হৈছে। জিলা দণ্ডাধীশ আমাৰ লগত আছে, আৰু আজি বা কাইলৈ ক্ষতিৰ সম্পূৰ্ণ প্ৰতিবেদন পোৱাৰ পিছত আমি উপযুক্ত ক্ষতিপূৰণ দিম।" টাংধৰ অঞ্চলত নিৰ্মিত কমিউনিটি বাংকাৰসমূহো পৰিদৰ্শন কৰি তেওঁ কয় যে ভৱিষ্যতে সীমান্তৰ কাষত ব্যক্তিগত পৰ্যায়ত বাংকাৰ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। মুখ্যমন্ত্ৰী আব্দুল্লাই লগতে কয়, "এই গোলাবৰ্ষণৰ সময়তো সাহস দেখুওৱা টাংধৰ জনসাধাৰণৰ দৃঢ়তা অবিশ্বাস্য। তেওঁলোকৰ দুখ-কষ্টক গুৰুত্বসহকাৰে লোৱা হ'ব। চৰকাৰ তেওঁলোকৰ কাষত আছে। তেওঁলোকক কেৱল ক্ষতিপূৰণ দিয়াই নহয়, তেওঁলোকৰ জীৱন পুনৰ গঢ়ি তোলাতো সহায় কৰা হ'ব।" মন কৰিবলগীয়া যে ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতীয় সেনাই অপাৰেচন সেন্দুৰ আৰম্ভ কৰিছিল। সেই ঘটনাৰ প্ৰত্যুত্তৰত পাকিস্তানেও ধাৰাবাহিকভাৱে গোলাবৰ্ষণ আৰম্ভ কৰিছিল। কিন্তু দুয়োখন দেশৰ মাজত শত্ৰুতা বন্ধ কৰাৰ সিদ্ধান্ত লোৱাৰ পিছত জম্মু-কাশ্মীৰ সীমান্তৰ জীৱন ক্ৰমান্বয়ে স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উজনিক বাংলাদেশ হ'বলৈ নিদিওঁঃ শৃংখল

কৰিবলৈ নিদিওঁ বুলি স্পষ্ট কৰি দিছে বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই। অখিল গগৈৰ নাম নোলোৱাকৈ শৃখল চলিহাই স্পষ্ট কৰে অসমত এজন ছদ্মবেশী আজমল ওলাইছে। বিধায়ক অখিল গগৈৰ বিৰুদ্ধে শৃংখল চলিহাই সৰৱ হৈ আজি কয় যে জাতীয়তাবাদী মানুহবিলাক পিউৰ জাতীয়তাবাদী হ'ব লাগিব। মাওবাদী মানুহে জাতীয়তাবাদী কৰিলে নহ'ব। কথাবোৰ স্পষ্ট। আজি ৰাজনৈতিকভাৱে বিধ্বস্ত হৈছে বদৰুদ্দিন আজমল। আজমল বিধ্বস্ত হোৱাৰ পিছতে উজনি অসমত এজন নতুন আজমল ওলাইছে। ছদ্মবেশী আজমল ওলাইছে। তেওঁ কোন অসমৰ মানুহে গম পায়। নাম ক'লে মানহানি গোচৰ দিব। গোচৰ চলাবলৈ মোৰ টকা নাই। উজনি অসম বাংলাদেশ কৰিবলৈ মই নিদিওঁ। বীৰ লাচিত সেনাই কৰিবলৈ নিদিয়ে। উজনি অসমত জাতীয়তাবাদ চলিব। আমি কাৰ লগত আছো সেয়া সামাজিক মাধ্যম যোগে জনাইছো। মানুহৰ সততা থাকিব লাগিব বুলি কৈ শৃংখল চলিহাই অখিল গগৈৰ নাম নোলোৱাকৈ কয় যে জিকাইছিলো। জিকাৰ পিছত ঠগিলে। আমি অখিল গগৈৰ ওচৰত ঠিকা বিচাৰি যোৱা নাই। ভৱিষ্যতেও নাযাওঁ। আমাৰ আত্মসন্মান আছে। শুভেচ্ছা সকলোৰ বাবে আছে। উজনিৰ মানুহে চাই আছে যে কোন কাৰ লগত আছে। যদি নিজৰ মানুহখিনিৰ মাজতে বিশ্বাসযোগ্যতা নাথাকে, ৰাতি ১২ বজাত বাংলাদেশী মূলৰ মানুহৰ মাজত জয় আই অসম কৈ থাকে তেতিয়া উজনি অসমৰ খিলঞ্জীয়া জনগণে সেইটো কেতিয়াও বিশ্বসত নলয়। উজনি অসমৰ মানুহ বাংলাদেশী বিৰোধী। নামনি অসমৰ যিটো হৈছে সেইটো উজনি অসমত হ'বলৈ নিদিওঁ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চীনৰ ৰণচালি! সলালে অৰুণাচলৰ

তিব্বতৰ অংশ বুলি দাবী কৰি চীনে ‘জাংনান’ বুলি নাম দিয়াৰ পিছতে জাঙুৰ খাই উঠিছে ভাৰত। নতুন দিল্লীয়ে চীনৰ এই পদক্ষেপক ‘অৰ্থহীন আৰু হাস্যকৰ’ বুলি উলাই কৰি কয় যে অৰুণাচল প্ৰদেশ ভাৰতৰ এক অবিচ্ছেদ্য অংগ। উল্লেখ্য যে, চীনৰ অসামৰিক পৰিক্ৰমা মন্ত্ৰালয়ে ১১-১২ মে’ত প্ৰকাশ কৰা এই নামসমূহৰ ভিতৰত আছে ১৫খন পাহাৰ, ৫টা আৱাসিক এলেকা, চাৰিটা মাউন্টেন পাছ, দুখন নদী আৰু এখন হ্ৰদ। প্ৰতিটো স্থানৰ নাম চীনা আখৰেৰে তিব্বতী আৰু পিনিয়িনৰ লগতে অক্ষাংশ-দ্ৰাঘিমাংশ আৰু উচ্চ ৰেজোলিউচনৰ মানচিত্ৰৰে নামকৰণ কৰা হৈছে। চীনৰ মন্ত্ৰালয়ে কয় যে ভৌগোলিক নাম ব্যৱস্থাপনা ৰাজ্যিক পৰিষদৰ বিধান অনুসৰি আমি জাংনানত কিছুমান ভৌগোলিক নামৰ প্ৰামাণিককৰণ কৰিছো। চীনৰ এই কাণ্ডৰ পিছতে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে মঙলবাৰে এক বিবৃতিত কয় যে, "চীনে অৰুণাচল প্ৰদেশৰ স্থানৰ নামকৰণৰ অযুক্তিকৰ প্ৰচেষ্টা চলাইছে। আমি এই প্ৰচেষ্টাক সম্পূৰ্ণৰূপে নাকচ কৰো। কাল্পনিক নামকৰণে অৰুণাচল প্ৰদেশ ভাৰতৰ এক অবিচ্ছেদ্য অংগ হোৱাৰ বাস্তৱতাক সলনি কৰিব নোৱাৰে।" উল্লেখ্য যে, যোৱা বছৰৰ পৰা ভাৰত আৰু চীনে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক উন্নত কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছিল। কিন্তু এই মুহূৰ্তত চীনৰ এনে কু-অভিসন্ধিয়ে দুয়োখন দেশৰ সংঘাত পুনৰ বৃদ্ধি কৰাৰ আশংকা কৰা হৈছে। মন কৰিবলগীয়া যে, ২০২০ চনত গালৱান উপত্যকাত সংঘটিত হোৱা সংঘৰ্ষত ২০ জন ভাৰতীয় আৰু চাৰিজন চীনা জোৱান নিহত হোৱাৰ পিছতে ফাঁট মেলিছিল ভাৰত-চীনৰ সম্পৰ্কত। ২০২১ চনত ছিকিমত পুনৰ সংঘৰ্ষত দুয়োপক্ষৰ জোৱান আহত হৈছিল। অৱশ্যে যোৱা বছৰৰ শেষৰ ফালে দুয়োখন দেশে সীমান্তত সামৰিক উত্তেজনাৰ অন্ত পেলাবলৈ সহমতত উপনীত হয়। ইয়াৰ পিছতে জ্যেষ্ঠ কূটনীতিবিদসকলে নিয়মীয়া আলোচনাৰ বাবে বৈঠকত মিলিত হয়। এইবাৰ দুয়োখন দেশে ভিছাৰ পদ্ধতি সৰল কৰি পোনপটীয়া বিমান সেৱা আৰম্ভ কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। চীনে ভাৰতীয় তীৰ্থযাত্ৰীৰ বাবে পবিত্ৰ কৈলাশ পৰ্বত আৰু মানসৰোবৰ হ্ৰদ পুনৰ মুকলি কৰিবলৈ সন্মত হৈছে। কিন্তু তাৰ মাজতে চৰ্চালৈ আহে চীনৰ এই নাম সলনিৰ প্ৰসংগ। লক্ষণীয় যে, চীনৰ নামকৰণ তালিকাৰ অধিকাংশ স্থানেই মেকমেহন লাইনৰ ওপৰত ভিত্তি কৰি গঠিত বেচৰকাৰী সীমান্ত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ ভাৰতৰ ফালে অৱস্থিত। এই লাইনৰ দক্ষিণে থকা কিছু অঞ্চল চীনে দক্ষিণ তিব্বত বুলি দাবী কৰাৰ বিপৰীতে ভাৰতে ইয়াক অৰুণাচল প্ৰদেশ বুলি চিনাক্ত কৰিছে। ইফালে, অৰুণাচল প্ৰদেশৰ ঠাইৰ নাম সলনি কৰাটো এয়া চীনৰ পঞ্চম প্ৰচেষ্টা। ইয়াৰ পূৰ্বে ২০১৭ চনত ৬ টা, ২০২১ চনত ১৫ টা, ২০২৩ চনত ১১ টা, আৰু ২০২৪ চনৰ মাৰ্চ মাহত ৩০ টা স্থানৰ নাম সলনি কৰিছিল চীনে। বিগত এপ্ৰিল মাহত তৃতীয় তালিকা প্ৰকাশ পোৱাৰ পিছত ভাৰতে এই "অসাৰ প্ৰচেষ্টা" নাকচ কৰিছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে কয়, "আপুনি যদি আপোনাৰ ঘৰৰ নাম সলনি কৰে, তেন্তে সেয়া মোৰ হৈ পৰিব নেকি? অৰুণাচল প্ৰদেশ ভাৰতৰ অংশ আছিল, আছে আৰু থাকিব।" যোৱা জুন মাহত ভাৰতীয় সংবাদ মাধ্যমে প্ৰকাশ কৰিছিল যে ভাৰতীয় সেনাৰ তথ্য যুদ্ধ বিভাগে তিব্বতৰ ৩০ টা স্থানৰ নাম সলনি কৰাৰ পৰিকল্পনা কৰিছে। কিন্তু এই তালিকা প্ৰকাশ নহ’ল আৰু এই সন্দৰ্ভত কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ’ল। চীনৰ এই পদক্ষেপে দুয়োখন দেশৰ মাজত নতুন উত্তেজনাৰ আশংকা বৃদ্ধি কৰিছে। এই উত্তেজনাই কি ৰূপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ’ব।

# আগমনি আৰক্ষী বিষয়াৰ প্ৰেম প্ৰৱঞ্চনাত আত্মহত্যা কাণ্ডৰ নতুন মোৰ, বিপদত স্বয়ম্ভূ সাংবাদিক

**ই-সংবাদ, গোলকগঞ্জ, ১৪ মে’:** ধুবুৰী জিলাৰ আগমনি থানাৰ এগৰাকী মহিলা আৰক্ষী বিষয়াৰ প্ৰেম প্ৰৱঞ্চনাত ১৭ এপ্ৰিলত থানাখনৰে কেছ ডায়েৰী লিখাত কৰ্মৰত এজন যুবকে আত্মহত্যা কৰা ঘটনা ফেচবুক পেজত আপলোড কৰি এজন স্বয়ম্ভু সাংবাদিক বিপদত পৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, থানাখনৰ উপ-পৰিদৰ্শক জোনালী দেৱীৰে প্ৰেমৰ সম্পৰ্ক আছিল কেছ ডায়েৰী লেখক দেৱানন্দ দাসৰ। জোনালী বিয়া হৈ অহাৰ পিছতো সম্পৰ্ক অটুট ৰাখে। ১৬ এপ্ৰিলৰ নিশা থানাৰ ভিতৰত দুজনৰ মাজত বাক্-বিতণ্ডা হয়। জোনালীয়ে কনিষ্টবল শ্যামল দাস আৰু আছিফ ৰহমানক হতুৱাই দেৱানন্দক মাৰপিট কৰে। থানাৰ পৰা নিশা ঘৰত আহি আত্মসন্মানত আঘাত পাই ছুইছাইড নোট ৱাটছএপ যোগে বিভিন্ন জনক দি চিপ লয়। তেওঁ জোনালীৰ কিছু আপত্তিজনক ফটোও বিভিন্নজনক মৃত্যুৰ পূৰ্বে শ্বেয়াৰ কৰে। এই সন্দৰ্ভত পৰিয়ালৰ লোকে আগমনি থানাত আৰক্ষী বিষয়া জোনালীকে ধৰি তিনিওজনৰ নামত এজাহাৰ দাখিল কৰে। ১৭ এপ্ৰিলত কালডোৱা ঘাটপাৰৰ ৰফিক আলী (টাই) নামৰ এজন স্বয়ম্ভু সাংবাদিকে ফেচবুকত জনতাৰ খবৰ নাম দি এটা পেজ খুলি বাতৰিটো প্ৰকাশ কৰে। বাতৰিটোত আক্ৰোশমূলকভাৱে হওক বা সাংবাদিকতাৰ অ আ জ্ঞান নথকাৰ বাবেই হওক বিষয়াগৰাকীৰ উলংগ ফটো বাতৰিটোত প্ৰকাশ কৰে। কেইঘন্টামান পিছত তেওঁ বিতৰ্কিত ফটো থকা ভিডিঅ’টো ডিলিট কৰে। কিন্তু ইতিমধ্যে ভিডিঅ’টো সৰ্বত্ৰে ভাইৰেল হৈ পৰিছে। ঘটনাটো ইমান দিন সুপ্ত অৱস্থাত আছিল। যোৱা ২ মে’ত গুচৰীয়া পক্ষই অধিবক্তাৰ ব্যৱস্থা কৰিব নোৱাৰাৰ বাবে মূল অভিযুক্ত জোনালী দেৱীয়ে জামিন লাভ কৰে। ইয়াৰ পিছতেই কালি অশ্লীল ফটো আপলোড কৰা গোচৰত গোলকগঞ্জ আৰক্ষী চক্ৰ পৰিদৰ্শক ৰাতুল হালৈয়ে ৰফিক আলীক মাতি আনি সোধা-পোছা কৰি মোবাইলটো জব্দ কৰে। উল্লেখ্য যে প্ৰায় এবছৰ পূৰ্বে স্বয়ম্ভু সাংবাদিক ৰফিকে সোণাখুলিৰ এজন লোকৰ এটা গোচৰ মীমাংসা কৰি দিয়াৰ কথা কৈ আৰক্ষী বিষয়া জোনালীৰ নামত বৃহৎ পৰিমাণৰ ধন সংগ্ৰহ কৰিছিল। আৰক্ষী বিষয়াগৰাকীয়ে জানিব পাৰি থানালৈ মাতি গোটেই দিন বহাই ৰাখি দাবী-ধমক দি এৰি দিয়ে। সেয়ে এনে অপকৰ্ম কৰা বুলি চৰ্চা হৈছে।

# নাজিৰাত পৰীক্ষা দিবলৈ আহি দুৰ্ঘটনাত পতিত ছাত্ৰী

**ই-সংবাদ, নাজিৰা, ১৪ মে’:** নাজিৰা শিৱসাগৰ সংযোগী বি জি ৰোডত ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰী মুস্কান বেগমে পৰীক্ষাত অৱতীৰ্ণ হ’বলৈ বাবে স্কুটীলৈ মহাবিদ্যালয়লৈ আহি থকা অৱস্থাত গড়গাঁও বৰদুৱা মুখত এখন AS-04 AJ-4014 নম্বৰৰ য়ামাহা R15 বাইকৰ সৈতে মুখামুখি সংঘৰ্ষ হয়। স্কুটী ৰখাবলৈ লোৱাৰ সময়তে মুস্কান বেগমক য়ামাহা R15 বাইকখনে মুখামুখিকৈ খুন্দা মৰাৰ ফলত বাইকত অহা দুই যুৱক পথত বাগৰি পৰাৰ সমান্তৰালভাৱে মুস্কান বেগম স্কুটীৰ পৰা উফৰি গৈ নিৰ্মীয়মান কালভাৰ্টত পৰে যাৰ ফলত মুস্কান বেগমৰ হেলমেট ভাঙি চুৰমাৰ হৈ গুৰুতৰভাৱে মূৰৰ লগতে শৰীৰৰ বিভিন্ন অংশত আঘাতপ্ৰাপ্ত হয়। লগতে মুস্কান বেগমৰ AS-04 AE-8050 নম্বৰৰ স্কুটী প্লিজাখনো ভাঙি চুৰমাৰ হয়। মটৰচাইকেলৰ চালক অঞ্জন দেওঘৰীয়াৰ ঘৰ শিমলুগুৰি কেন্দুগুৰিত আৰু স্কুটী চালক মুস্কান বেগমৰ ঘৰ চুনপোৰাত। নিৰ্মীয়মান পথৰ শোচনীয় অৱস্থা, অতীমাত্ৰা গতিবেগ আৰু অন্যমনস্কতাৰ বাবেই নিতৌ বি জি ৰ’ডত সংঘটিত হৈছে ভয়ংকৰ পথ দুৰ্ঘটনা। সংকটজনক অৱস্থাত মুস্কান বেগমক প্ৰথমে নাজিৰা লিগিৰীপুখুৰীস্থিত অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও লগে লগে ডিব্ৰুগড় চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# তুৰস্ক-আজাৰবাইজানৰে ভাৰতৰ বাণিজ্যিক সম্পৰ্কত ফাট

## পাকিস্তানলৈ মুকলি সমৰ্থন দুয়োখন দেশৰ

**নতুন দিল্লী, ১৪ মে':** ভাৰতৰ বাণিজ্যিক সম্পৰ্কত ফাট মেলিছে তুৰস্ক আৰু আজাৰবাইজানৰ। আংকাৰা আৰু বাকুৱে পেহেলগাম আক্ৰমণৰ পাছত ইছলামবাদক সমৰ্থন কৰা আৰু শেহতীয়াকৈ পাকিস্তানৰ সন্ত্ৰাসবাদী শিবিৰত ভাৰতে কৰা আক্ৰমণক গৰিহণা দিয়াৰ বাবে দেশ দুখনৰ সৈতে ভাৰতৰ বাণিজ্যিক সম্পৰ্কত থৰক বৰক হৈ পৰিছে। দেশ দুখনে পাকিস্তানক সমৰ্থন কৰাৰ পাছত সমগ্ৰ ভৰতত তুৰস্কৰ সামগ্ৰী আৰু পৰ্যটন বৰ্জনৰ আহ্বান উত্থাপন হয়। ইজমাইট্ৰিপ আৰু ইক্সিগোৰ দৰে অনলাইন ভ্ৰমণ প্লেটফৰ্মে এই ৰাষ্ট্ৰসমূহ ভ্ৰমণৰ বিৰুদ্ধে পৰামৰ্শ জাৰি কৰিছে। ভাৰতীয় ব্যৱসায়ীসকলেও আপেল আৰু মাৰ্বলৰ দৰে তুৰস্কৰ সামগ্ৰী বৰ্জন কৰিবলৈ আৰম্ভ কৰিছে। উল্লেখ্য, সংঘাতৰ সময়ত পাকিস্তানে ভাৰতীয় সামৰিক সংস্থাপনসমূহক লক্ষ্য কৰি লোৱাৰ ব্যৰ্থ প্ৰচেষ্টাত তুৰস্কৰ ড্ৰ'ন ব্যৱহাৰ কৰিছিল। বাণিজ্যিক সম্পৰ্কৰ দিশৰপৰা ২০২৪-২৫ চনৰ এপ্ৰিল-ফেব্ৰুৱাৰীত তুৰস্কলৈ ভাৰতৰ ৰপ্তানি ৫.২ বিলিয়ন মাৰ্কিন ডলাৰ হোৱাৰ বিপৰীতে ২০২৩-২৪ চনত ৬.৬৫ বিলিয়ন মাৰ্কিন ডলাৰ আছিল। ২০২৪-২৫ চনৰ এপ্ৰিল-ফেব্ৰুৱাৰীত আজাৰবাইজানলৈ ভাৰতৰ ৰপ্তানি মাত্ৰ ৮৬.০৭ মিলিয়ন মাৰ্কিন ডলাৰ হোৱাৰ বিপৰীতে ২০২৩-২৪ চনত ৮৯.৬৭ মিলিয়ন মাৰ্কিন ডলাৰ আছিল। ২০২৪-২৫ চনৰ এপ্ৰিল-ফেব্ৰুৱাৰী মাহত তুৰস্কৰ পৰা ভাৰতৰ আমদানি আছিল ২.৮৪ বিলিয়ন মাৰ্কিন ডলাৰ। বৰ্তমান তুৰস্কত ২০০ জন ছাত্ৰ-ছাত্ৰীকে ধৰি প্ৰায় ৩০০০ জন ভাৰতীয় নাগৰিক আছে বুলি অনুমান কৰা হৈছে। একেদৰে আজাৰবাইজানত ভাৰতৰ ১৫০০ৰো অধিক লোক আছে। অনুমান অনুসৰি ২০২৩ চনত প্ৰায় ৩ লাখ ভাৰতীয় পৰ্যটকে তুৰ্কী ভ্ৰমণ কৰিছিল আৰু ২ লাখৰো অধিক ভাৰতীয় পৰ্যটক আজাৰবাইজানলৈ গৈছিল।



জম্মু-কাশ্মীৰৰ কুপৱাৰাত বাংকাৰ পৰিদৰ্শন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ, ফটো বুধবাৰ

# পৰীক্ষাত সদায়েই ছাত্ৰতকৈ আগত, কিন্তু চাকৰিত পদোন্নতি নহয় মহিলা কৰ্মচাৰীৰ

**নতুন দিল্লী, ১৪ মে':** দশম-দ্বাদশ শ্ৰেণীয়ে হওক বা মহাবিদ্যালয়-বিশ্ববিদ্যালয় পৰ্যায়ৰ পৰীক্ষাই হওক সকলোতে ছাত্ৰতকৈ ছাত্ৰীৰ প্ৰদৰ্শন প্ৰায়ে বেছি ভাল হোৱা দেখা যায়। মেধাৰ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱাত সম্প্ৰতি ল'ৰাতকৈ ছোৱালী পিছ পৰি থকা নাই, বৰং আগবাঢ়িহে আছে। পিছে ইয়াৰ পাছতো চাকৰিৰ ক্ষেত্ৰখনত লিংগ বৈষম্যৰ চিকাৰ হয় ভাৰতৰ মহিলাসকল। শেহতীয়া এক অধ্যয়নত এই বিষয়ত সবিশেষ তথ্য প্ৰকাশ পাইছে। ব্যক্তিগত খণ্ডত আৰম্ভণিৰ পৰ্যায়ৰ কণিষ্ঠ পৰ্যায়ৰ চাকৰিসমূহত তিনিটাৰ ভিতৰত কেৱল এটা পদতহে ছোৱালী বা মহিলাই নিযুক্তি পোৱা দেখা যায়। তদুপৰি সঞ্চালকৰ দৰে পদত কেৱল ২৪% মহিলাইহে স্থান পায়। মেককিনছী এণ্ড কোম্পানী নামৰ সংস্থাটোৰ 'কৰ্মক্ষেত্ৰত মহিলা' শীৰ্ষক এক অধ্যয়নত এই তথ্য প্ৰকাশ পাইছে। সমগ্ৰ অধ্যয়নটো ভাৰত, নাইজেৰিয়া আৰু কেনিয়াৰ ৩২৪ টা প্ৰতিষ্ঠানৰ ১.৪ নিযুত লোকক সাঙুৰি লোৱা হৈছে। ইয়াত ভাৰতৰ ৭৭ টা প্ৰতিষ্ঠানৰ ৯ লাখ চাকৰিয়াল অন্তৰ্ভুক্ত। আৰম্ভণিৰ পৰ্যায়ৰ চাকৰিত পুৰুষ-মহিলাৰ মাজৰ বয়সৰ ব্যৱধান অধ্যয়নটোৱে আঙুলিয়াই দিছে। এই পৰ্যায়ত পুৰুষে ৩২ বছৰলৈকে কাম কৰাৰ বিপৰীতে মহিলাসকলে ৩৯ বছৰ পৰ্যন্ত কাম কৰিবলগীয়া হয়। বহু মহিলাই কোনোধৰণৰ পদোন্নতি অবিহনে আৰম্ভণি পৰ্যায়ৰ চাকৰিকে বছৰৰ পাছত বছৰ কৰি অৱসৰ ল'বলগীয়া হয়।

# কেন্দ্ৰীয় লোকসেৱা আয়োগৰ নতুন অধ্যক্ষ অজয় কুমাৰ

**নতুন দিল্লী, ১৪ মে':** ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা প্ৰাক্তন প্ৰতিৰক্ষা সচিব অজয় কুমাৰক কেন্দ্ৰীয় লোকসেৱা আয়োগৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। মঙলবাৰে সন্ধিয়া ডিঅ'পিটিয়ে কুমাৰৰ নিযুক্তিৰ কথা ঘোষণা কৰি এক নিৰ্দেশ জাৰি কৰে। ভাৰতীয় সংবিধানৰ ৩১৬(১) অনুচ্ছেদৰ অধীনত ড° অজয় কুমাৰক কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়।" যোৱা ২৯ এপ্ৰিলত কুমাৰৰ পূৰ্বৰ অধ্যক্ষা প্ৰীতি চুডানৰ কাৰ্যকালৰ অন্ত পৰে। মনোজ ছোনীয়ে হঠাৎ পদত্যাগ কৰাৰ পাছতে চুডানক ইউপিএছচিৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছিল। ২০২৪ চনৰ জুলাই মাহত নিযুক্তি লাভ কৰিছিল প্ৰাক্তন স্বাস্থ্য সচিব চুডানে। এই বিষয়ে অৱগত লোকসকলে কয় যে ছোনীয়ে কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ পাঁচ বছৰ পূৰ্বে চাকৰি এৰি দিয়াৰ সিদ্ধান্তৰ আঁৰত ব্যক্তিগত কাৰণ উল্লেখ কৰিছিল। ইউপিএছচিৰ অধ্যক্ষৰ দায়িত্ব লোৱাৰ পূৰ্বে ২০১৭ চনৰ জুন মাহৰ পৰা ২০২৩ চনৰ মে' মাহলৈকে আয়োগৰ সদস্য আছিল ছোনী।

# সন্ত্ৰাসবাদী মাছুদক ১৪ কোটিৰ ক্ষতিপূৰণ দিব পাক চৰকাৰে

**নতুন দিল্লী, ১৪ মে':** সন্ত্ৰাসবাদীৰ প্ৰতি দৰদ কমা নাই পাকিস্তানৰ। এইবাৰ ৰাষ্ট্ৰসংঘৰদ্বাৰা সন্ত্ৰাসবাদী ঘোষিত জৈছ-ই-মহম্মদৰ মুৰব্বী মাছুদ আজহাৰক ১৪ কোটি টকা দিবলৈ ওলাইছে পাকিস্তান চৰকাৰে। অপাৰেচন সেন্দুৰৰ পাছত ক্ষতিপূৰণ হিচাপে এই টকা আজহাৰক দিব পাক চৰকাৰে। শেহতীয়াকৈ ভাৰতীয় সেনাবাহিনীৰ অভিযানত সন্ত্ৰাসবাদী আজহাৰৰ পৰিয়ালৰ প্ৰায় ১৪ জন লোক নিহত হৈছিল। পাকিস্তানৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফে এই অভিযানত নিহত লোকৰ আইনী উত্তৰাধিকাৰীক প্ৰতিজনকে ১ কোটি টকা ক্ষতিপূৰণ দিয়াৰ কথা ইতিমধ্যে ঘোষণা কৰিছিল। পিছে এই পদক্ষেপত সন্ত্ৰাসবাদীকো সাঙুৰি লোৱাৰ কথা পূৰ্বে স্পষ্ট কৰা নাছিল দেশখনে। পৰিয়ালৰ ১৪ জন সদস্যৰ বিপৰীতে আজহাৰে ১ কোটি টকাকৈ লাভ কৰিব পাৰে, যিটো ১৪ কোটি টকাৰ সমান।

# কানাডাৰ বিদেশ মন্ত্ৰী হ'ল অনিতা আনন্দ

**অ'ট্টাৱা, ১৪ মে':** আজি কানাডাৰ নতুন বৈদেশিক মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে অনিতা আনন্দে। দেশখনৰ নতুন প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীয়ে কেবিনেটৰ বৃহৎ সালসলনিত তেওঁক বৈদেশিক মন্ত্ৰী হিচাপে নিযুক্তি প্ৰদান কৰিছে। পূৰ্বে দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিছিল অনিতা আনন্দে। কানাডাৰ লিবাৰেল পাৰ্টিৰ ৫৮ বছৰীয়া ৰাজনীতিবিদগৰাকীয়ে হিন্দু শাস্ত্ৰ ভাগৱত হাতত লৈ বিদেশ মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ১৯৬০ চনৰ আৰম্ভণিতে ভাৰতৰ পৰা কানাডালৈ গৈছিল আনন্দৰ পৰিয়াল।

# ড্ৰোন আক্ৰমণ প্ৰতিহত কৰিবলৈ সাজু 'ভাৰ্গৱাস্ত্ৰ'

**নতুন দিল্লী, ১৪ মে':** শত্ৰু ৰাষ্ট্ৰৰ সমূহীয়া ড্ৰ'ন আক্ৰমণ প্ৰতিহত কৰিবলৈ ভাৰতে আজি এক নতুন অস্ত্ৰ সফলতাৰে পৰীক্ষা কৰে। ভাৰ্গৱাস্ত্ৰ নামৰ এই অস্ত্ৰই আধুনিক যুদ্ধক্ষেত্ৰত বহুলভাৱে ব্যৱহাৰ হোৱা ড্ৰ'ন আক্ৰমণ প্ৰতিহত কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব। ছ'লাৰ ডিফেন্স এণ্ড এৰ'স্পেচ লিমিটেডে ডিজাইন আৰু বিকশিত কৰা এই অস্ত্ৰটো হাৰ্ড-কিল ম'ডত পৰীক্ষা কৰা হৈছিল যিয়ে মাইক্ৰ' ৰকেটৰ সহায়ত অহা ড্ৰ'ন স্বাৰ্মক লক্ষ্য কৰি লৈছিল। যুদ্ধক্ষেত্ৰত ড্ৰ'ন স্বাৰ্ম বুলিলে ড্ৰ'নৰ এটা বৃহৎ গোটক বুজোৱা হয় যিয়ে একেলগে সমন্বিতভাৱে কাম কৰে। ই নিৰন্তৰ মানৱ নিয়ন্ত্ৰণৰ প্ৰয়োজন নোহোৱাকৈ পৰিচালিত হয়। ভাৰ্গৱাস্ত্ৰত বহুস্তৰীয় প্ৰতিৰক্ষামূলক ক্ষমতা আছে। প্ৰথম স্তৰত ২০ মিটাৰ মাৰাত্মক ব্যাসাৰ্ধৰ আনগাইডেড মাইক্ৰ' ৰকেট আছে যাতে ২.৫ কিলোমিটাৰ পৰ্যন্ত ড্ৰ'নৰ গোট নিষ্ক্ৰিয় কৰিব পৰা যায়। দ্বিতীয়টোত নিখুঁত লক্ষ্য নিৰ্ধাৰণৰ বাবে গাইডেড মাইক্ৰ'-মিছাইল সংযুক্ত কৰা হৈছে। তুৰস্কত নিৰ্মিত কামিকাজে ড্ৰ'নক অনায়াসে প্ৰতিহত কৰিব পাৰিব এই নতুন ভাৰ্গৱাস্ত্ৰই।

# বৰপেটাৰোডত ক্ৰীড়া সমাৰোহৰ সফল সামৰণি

**ই-সংবাদ, বৰপেটাৰোড, ১৪ মে':** শিশু শিক্ষা সমিতি অসমৰ বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ ক্ৰীড়া সমাৰোহ সোমবাৰে বৰপেটাৰোডত সফলভাৱে সমাপ্ত হয়। সমাৰোহৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকে বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাংগঠনিক সম্পাদক পৱন তিৱাৰী, ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ, শংকৰদেৱ শিশু নিকেতন বৰপেটাৰোডৰ পৰিচালনা সমিতিৰ সভাপতি ফুলেন দাস, কাৰ্যকৰী সভাপতি হৰিশ ৰাজবংশী, সম্পাদক নৃপেন দাস, সম্পাদিকা ভূপালী পাঠক চৌধুৰী, ক্ষেত্ৰ খেল প্ৰমুখ ৰঞ্জিত কুমাৰ শইকীয়া আৰু বিভিন্ন প্ৰান্তৰ খেল প্ৰমুখসকল। এই প্ৰতিযোগিতাত মুঠ ৪৩৮ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰে আৰু ৬৫ জন খেল পৰিচালকে খেলসমূহ পৰিচালনা কৰে। গুৱাহাটী বিভাগে সৰ্বশ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰে। লক্ষীমপুৰ বিভাগে শ্ৰেষ্ঠ অনুশাসন দল আৰু শিৱসাগৰ বিভাগে শ্ৰেষ্ঠ মাৰ্চ-পাষ্ট দলৰ পুৰস্কাৰ লাভ কৰে। প্ৰথম স্থান অধিকাৰ কৰা খেলুৱৈসকল অখিল ভাৰতীয় ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ বাবে নিৰ্বাচিত হয়। পদক তালিকাত গুৱাহাটী বিভাগে ২২টা স্বৰ্ণ, ১০টা ৰূপ আৰু ১০টা ব্ৰঞ্জ পদক লাভ কৰে। শিৱসাগৰ বিভাগে ১৩টা স্বৰ্ণ, ১৩টা ৰূপ আৰু ৮টা ব্ৰঞ্জ পদক অৰ্জন কৰে। লক্ষীমপুৰ বিভাগে ১৪টা স্বৰ্ণ, ১০টা ৰূপ আৰু ৯টা ব্ৰঞ্জ পদক লাভ কৰে। সামৰোহত বিজয়ী আৰু অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে উন্নত প্ৰদৰ্শনৰ বাবে উৎসাহিত কৰা হয়। অনুষ্ঠানটো সুচাৰুৰূপে সম্পন্ন হয় আৰু অংশগ্ৰহণকাৰীসকলৰ মাজত ক্ৰীড়াৰ উৎসাহ বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হয়।



মহিলা ত্ৰিদেশীয় শৃংখলাৰ ফাইনেলত ভাৰতৰ বিৰুদ্ধে শ্ৰীলংকাৰ মালকিৰ বলিং প্ৰদৰ্শন




মহিলা ত্ৰিদেশীয় শৃংখলাৰ ফাইনেলত শ্ৰীলংকাক পৰাভূত কৰি বিজয়ৰ খিতাপ দখল ভাৰতৰ নাৰী শক্তিৰ

## ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়াম পৰিদৰ্শন দেৱজিত শইকীয়াৰ

# ১৭ মে'ৰ পৰা পুনৰ আৰম্ভ হ'ব আইপিএলৰ বাকী থকা খেলসমূহ

**ই-সংবাদ, ডিব্ৰুগড়, ১৪ মে:** ভাৰত-পাকিস্তানৰ মাজৰ উত্তেজনাৰ বাবে স্থগিত ৰখা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আইপিএল) আকৌ আৰম্ভ হ'ব অহা ১৭ মে'ৰ পৰা। ফাইনেল খেলখন হ'ব ৩ জুনত। অৱশ্যে ফাইনেলৰ স্থান এতিয়াও চূড়ান্ত হোৱা নাই। মঙলবাৰে ডিব্ৰুগড়ত এই কথা জানিবলৈ দিয়ে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড (বিচিচিআই)ৰ সচিব দেৱজিৎ লন শইকীয়াই। ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়ামত আন্তৰ্জাতিক মানসম্পন্ন নতুন ক্ৰিকেট পিচ পৰিদৰ্শন কৰি শইকীয়াই কয় যে প্ৰথম খেলখন বেংগালুৰুত হ'ব, য'ত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু (আৰচিবি)ৰ মুখামুখি হ'ব কলকাতা নাইট ৰাইডাৰ্ছ (কেকেআৰ)। তেওঁ জানিবলৈ দিয়ে যে স্থগিত হোৱা ১৭খন খেল নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰাৰ বাবে বিচিচিআই প্ৰস্তুত হৈছে। জালান ষ্টেডিয়ামৰ উন্নয়নৰ কথা উল্লেখ কৰি শইকীয়াই কয়, "এই ষ্টেডিয়ামত ইতিমধ্যে ৰঞ্জী ট্ৰফীকে ধৰি কেইবাখনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেল সফলতাৰে অনুষ্ঠিত হৈছে। পিচ আৰু আউটফিল্ড নতুনকৈ নিৰ্মাণৰ পিছত বিচিচিআইৰ অধীনত আৰু উন্নত মানৰ ক্ৰিকেট মেচ আয়োজনৰ পৰিকল্পনা আছে।" তেওঁ লগতে কয় যে অসমৰ ক্ৰিকেটাৰসকলৰ ভৱিষ্যৎ সম্ভাৱনা উজ্জ্বল আৰু তেওঁলোকে ভাৰতীয় দলত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ক্ৰিকেটাৰসকলৰ আঘাত প্ৰতিৰোধৰ বাবে অসমত এখন "স্প'ৰ্টছ ছায়েন্স ইনষ্টিটিউট" স্থাপনৰ পৰিকল্পনাৰ কথাও জনায় শইকীয়াই। তেওঁ কয়, "এইখন দেশৰ ভিতৰত দ্বিতীয় এনে ইনষ্টিটিউট হ'ব, যিয়ে খেলুৱৈসকলৰ ফিটনেছ আৰু প্ৰত্যাৱৰ্তনত সহায় কৰিব।" ভাৰতীয় দলৰ তাৰকা ক্ৰিকেটাৰ ৰোহিত শৰ্মা আৰু বিৰাট কোহলীৰ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰৰ প্ৰসংগত শইকীয়াই কয়, "প্ৰত্যেক খেলুৱৈৰ জীৱনত এটা সময় আহে যেতিয়া তেওঁলোকে নিজৰ সিদ্ধান্ত লয়। বিচিচিআইয়ে তেওঁলোকৰ সিদ্ধান্তৰ প্ৰতি সন্মান জনায় আৰু ইতিমধ্যে সেইটো গ্ৰহণ কৰিছে।" ডিব্ৰুগড় জিলা ক্ৰীড়া সংস্থাৰ সভাগৃহত সুনীল গগৈৰ সঞ্চালনাত এটা অনুষ্ঠানত শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। ডিব্ৰুগড় জিলা ক্ৰীড়া সংস্থাৰ সভাপতি নিৰঞ্জন শইকীয়া, সহ-সভাপতি মানস জ্যোতি দত্ত, ভাস্কৰ পাপুকন গগৈ উপস্থিত থাকে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি